**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 3-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**:::::::::::::::::::::::::::::::::::::::**

## Headlines

১। শিক্ষক দিৱস উপলক্ষে ১৩ গৰাকী শিক্ষকলৈ ৰাজ্য চৰকাৰৰ চলিত বৰ্ষৰ কৃতী শিক্ষকৰ সন্মান।

২। ৰাজ্যজুৰি অভিৰুচি ক্ৰীড়া দিৱস উদযাপন। শিৱসাগৰত কেক কাটি জন্মদিন পালনেৰে অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ খেলুৱৈ সৃষ্টিত গুৰুত্ব আৰোপ।

৩। ৭ গৰাকী খেলুৱৈ-প্ৰশিক্ষকলৈ ৰাজ্য চৰকাৰৰ ক্ৰীড়া বঁটা ঘোষণা।

৪। তিনিদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ব্ৰুনেই-ছিংগাপুৰলৈ ৰাওনা।

*আৰু*

৫। পেৰিছ্ পেৰালিম্পিকত ১৫টা পদকেৰে ভাৰতৰ জয়যাত্ৰা অব্যাহত।

0000000

৫ ছেপ্তেম্বৰত হ'বলগীয়া শিক্ষক দিৱসৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰে চলিত বৰ্ষৰ ৰাজ্যিক কৃতি শিক্ষকৰ বঁটাসমূহ ঘোষণা কৰিছে। ৰাজ্যৰ মুঠ ১৩ গৰাকী শিক্ষকক এই বৰ্ষৰ কৃতি শিক্ষকৰ সন্মানেৰে বিভূষিত কৰা হ'ব। মাধ্যমিক শাখাত ৮ গৰাকী শিক্ষকলৈ এই বঁটা আগবঢ়োৱা হৈছে। তেওঁলোক হৈছে ডিব্ৰুগড়ৰ বিউতি লেখাৰু শইকীয়া, যোৰহাটৰ মণি দত্ত, লখিমপুৰৰ কল্পনা গগৈ, যোৰহাটৰ প্ৰশান্ত কুমাৰ মহন্ত, তিনিচুকীয়াৰ মিনু ৰাণী বৰা, বিশ্বনাথৰ ৰিপুঞ্জয় বৰদলৈ, কামৰূপৰ হীৰেন কুমাৰ দাস আৰু শিৱসাগৰৰ হীৰেন কুমাৰ নেওগ। আনহাতে প্ৰাথমিক শাখাত পাঁচ গৰাকী শিক্ষক ক্ৰমে ধেমাজিৰ গকুল চুতীয়া, কাছাৰ অতনু চৌধুৰী, দৰঙৰ ৰিজু ৰেখা দেৱী, ডিব্ৰুগড়ৰ সংগীতা দেৱী আৰু শিৱসাগৰৰ লোহিত চেতীয়াক কৃতি শিক্ষকৰ বঁটা আগবঢ়োৱা হৈছে। ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকে কালি এই সম্বন্ধীয় নিৰ্দেশনা জাৰি কৰে। ডিব্ৰুগড়ত পৰহিলৈ ৰাজ্যিক ভিত্তিত হ'বলগীয়া শিক্ষক দিৱসৰ অনুষ্ঠানত বঁটাপ্ৰাপ্ত শিক্ষকসকলক উপস্থিত থাকিবলৈ কোৱা হৈছে। এই অনুষ্ঠান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব।

0000000

ৰাজ্যজুৰি আজি ৪১ সংখ্যক অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হৈছে। অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে প্ৰতি বছৰে ৩ ছেপ্তেম্বৰ দিনটোত অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হয়। গুৱাহাটীৰ জজ খেলপথাৰত কেন্দ্ৰীয়ভাৱে অভিৰুচি ক্ৰীড়া দিৱসৰ আয়োজন কৰা হয়। জজ খেলপথাৰৰ পৰা নেহৰু ষ্টেডিয়ামলৈ উলিওৱা সমূহীয়া দৌৰৰ নেতৃত্ব দিয়ে অলিম্পিকত পদক বিজয়ী লাভলীনা বৰগোহাঁই আৰু প্ৰৱীণ খেলুৱৈ তৈয়বুন্নেছাই। খেলুৱৈ দুগৰাকীৰ লগতে ক্ৰীড়া মন্ত্ৰী নন্দিতা গাৰ্লোছাই সমূহীয়া দৌৰৰ ফ্লেগ অফ কৰে। সমূহীয়া দৌৰত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে অসম আৰক্ষী আৰু বহু সংখ্যক সাধাৰণ লোকে অংশগ্ৰহণ কৰে।

শিৱসাগৰত আয়োজিত অনুষ্ঠানত উপস্থিত থাকি ভোগেশ্বৰ বৰুৱাই কেক কাটি নিজৰ জন্মদিন উযাপন কৰে। নিজৰ বক্তব্যত তেওঁ অসমত খেলুৱৈ সৃষ্টিত গুৰুত্ব আৰোপ কৰে আৰু এই ক্ষেত্ৰত চৰকাৰক আগবাঢ়ি আহিবলৈ আহ্বান জনায়। ওদালগুৰি জিলাতো সমূহীয়া দৌৰ কাৰ্যসূচীৰে অভিৰুচি দিৱস উদযাপন কৰা হয়। টংলা ক্ৰীড়া সন্থাৰ উদ্যোগত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ পৰা উলিওৱা সমূহীয়া দৌৰৰ ফ্লেগ অফ কৰে জিলাখনৰ উপ-আৰক্ষী অধীক্ষক দুৰ্গাকিংকৰ শৰ্মাই। গোৱালপাৰা জিলাতো এই দিৱস পালনৰ বাতৰি আমালৈ আহিছে। অভিৰুচি ক্ৰীড়া দিৱসত এইবাৰ সাতগৰাকী খেলুৱৈলৈ ক্ৰীড়া বঁটা আগবঢ়োৱা হৈছে। বেডমিণ্টন খেলুৱৈ বৰ্ণালী আকাশ চাংমাই, পেৰা ছুইমাৰ কৃষ্ণ দাস, চাইক্লিং খেলুৱৈ অভিশেষ বি গগৈ, শৰীৰৰ প্ৰশিক্ষক ৰাজীৱ দে আৰু কল্যাণ বৰ্মন, ভাৰোত্তোলনৰ প্ৰশিক্ষক অনুপ কোঁৱৰ, এথলেটিক প্ৰশিক্ষক উত্তৰ সন্দিকৈলৈ অভিৰুচি ক্ৰীড়া বঁটা আগবঢ়োৱা হৈছে।

০০০০০০০

উত্তৰ লখিমপুৰত কাইলৈ ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠক অনুষ্ঠিত হ'ব। ইয়াৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তোলা হৈছে। নলবাৰীত অনুষ্ঠিত পূৰ্বৰ কেবিনেট বৈঠকত পৰিৱেশন কৰা আহাৰক কেন্দ্ৰ কৰি বিতৰ্ক হোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰৰ বৈঠকত চৰকাৰীভাৱে আহাৰ পৰিৱেশন কৰা নহয় বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি দিছে। সেই অনুসৰি মন্ত্ৰীবৰ্গই বিজেপিৰ বুথৰ সভাপতিৰ ঘৰতহে আহাৰ গ্ৰহণ কৰিব। কাইলৈ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০০০০

ৰাজ্য চৰকাৰৰ ২০২৪-২৫ বিত্তিয় বৰ্ষৰ শিল্পী পেন্সন আঁচনিৰ বাবে শিল্পীসকলৰপৰা প্ৰয়োজনীয় প্ৰমাণপত্ৰ সহ আবেদনপত্ৰ বিচৰা হৈছে। সাংস্কৃতিক সঞ্চালকালয়ে এই সন্দৰ্ভত জাৰি কৰা জাননী অনুসৰি আবেদনপত্ৰ www.directorculture.assam.gov.in আৰু www.silpisammanassam.comত কালিৰে পৰা উপলব্ধ হৈছে। আবেদনপত্ৰসমূহ ১৫ অক্টোবৰৰ ভিতৰত দাখিল কৰিবলৈ জাননীত উল্লেক কৰা হৈছে। নিৰ্দিষ্ট তাৰিখৰ পাছত অথবা অফলাইন যোগে দাখিল কৰা আবেদন গ্ৰহণ যোগ্য বুলি বিবেচনা কৰা নহ'ব। সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনৰ সাংস্কৃতিক কেন্দ্ৰসমূহৰ দায়িত্বত থকা সাংস্কৃতিক উন্নয়ন বিষয়া অথবা নিম্নবৰ্গ সহায়কসকলে সংশ্লিষ্ট জিলাখনৰ আবেদনকাৰী দিব্যাংগ শিল্পীসকলৰ ঘৰলৈ গৈ অনলাইন দাখিল কৰাত সহায় কৰিব। সংশ্লিষ্ট সাংস্কৃতিক উন্নয়ন বিষয়া অথবা নিম্নবৰ্গৰ সহায়কসকলৰ নাম আৰু যোগাযোগ নম্বৰ ৱেবছাইটত পোৱা যাব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি ব্ৰুনেই আৰু ছিংগাপুৰলৈ ৰাওনা হ'ব। ব্ৰুনেই ভ্ৰমণলৈ যোৱা শ্ৰীমোদী হৈছে ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী। ভাৰত আৰু ব্ৰুনেইৰ মাজৰ কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ সংখ্যক বাৰ্ষিকীৰ সময়ত প্ৰধানমন্ত্ৰী মোদী দেশখনলৈ যাব। ভাৰতৰ এক্ট-ইষ্ট নীতি আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় নীতিৰ ব্ৰুনেই হৈছে গুৰুত্বপূৰ্ণ অংশীদাৰ। এই ভ্ৰমণকালত ব্ৰুনেইৰ সৈতে নতুন সহযোগিতা তথা সম্পৰ্কৰ বাবে প্ৰধানমন্ত্ৰী মোদী দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। দেশখনৰ সৈতে প্ৰতিৰক্ষা, বাণিজ্য, বিনিয়োগ, শক্তি, মহাকাশ প্ৰযুক্তি, স্বাস্থ্য, দক্ষতা বিকাশৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰী আলোচনাত মিলিত হ'ব। দেশখনত ১৪ হাজাৰৰো অধিক ভাৰতীয় লোক আছে আৰু ইয়াৰ ভিতৰত ভালেসংখ্যক লোক চিকিৎসা সেৱা আৰু শিক্ষকতাৰ সৈতে জড়িত হৈ আছে। ভাৰতে মহাকাশ অভিযানত তিনিখন বুজাবুজি চুক্তিৰ জৰিয়তে

ব্ৰুনেইৰ পৰা গুৰুত্বপূৰ্ণ সহযোগিতা লাভ কৰি আহিছে। প্ৰতিৰক্ষা ক্ষেত্ৰতো ভাৰতে ব্ৰুনেই পৰা দ্বিপাক্ষিক সহযোগিতা লাভ কৰি আহিছে। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদীয়ে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী ল'ৰেন্স ৱঙৰ আমন্ত্ৰণমৰ্মে কাইলৈ আৰু পৰহিলৈ ছেপ্তেম্বৰত ছিংগাপুৰ ভ্ৰমণ কৰিব। উভয় দেশৰ মাজৰ কৌশলগত সহযোগিতা, আঞ্চলিক আৰু গোলকীয় পাৰস্পৰিক বিষয়সমূহৰ সন্দৰ্ভত নেতা দুয়োগৰাকীয়ে মত বিনিময় কৰিব। এই ভ্ৰমণে ভাৰত আৰু ছিংগাপুৰৰ সম্পৰ্কত নতুন মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই পশ্চিমবংগৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ প্ৰাক্তন অধ্যক্ষ ডাঃ সন্দীপ ঘোষক চিকিৎসালয়খনত হোৱা বিত্তীয় অনিয়মৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছে। সংস্থাটোৱে তেওঁক চিকিৎসালয়খনত সংঘটিত এগৰাকী যুৱ মহিলা চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ সম্পৰ্কতো সোধা-পোছা অব্যাহত ৰাখিছে।

০০০০০০০

যোৰহাট আৰৰ্ত ভৱনত জিলা আয়ুক্তৰ সভাপতিত্বত কালি পথ সুৰক্ষা সন্দৰ্ভত এখন পৰ্যালোচনামূলক সভা অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্তই পথ নিৰাপত্তা বিষয়ত সুৰক্ষা নিৰ্দেশনাসমূহ মানি চলাৰ ক্ষেত্ৰত সংশ্লিষ্ট বিষয়াসকলক যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। পথ সংকেট চিহ্ন আৰু গতি ৰোধকসমূহ সুস্পষ্ট কৰা আদি বিষয়ত বিষদভাৱে আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষক জিলা আয়ুক্তই নিৰ্দেশ প্ৰদান কৰে।

আনহাতে যান-বাহনৰ চালকসকলে নিচাযুক্ত দ্ৰব্য সেৱন কৰি যান-বাহন চলোৱা আৰু দুটকীয়া বাহনত হেলমেট পৰিধান নকৰাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰিবহন আৰু আৰক্ষী বিভাগক নিৰ্দেশ দিয়াৰ লগতে জিলাখনত লালিগুড় সম্পূৰ্ণৰূপে বন্ধ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। তদুপৰি জিলা আয়ুক্তই নগৰখনৰ জিলা আয়ুক্তই নগৰখনৰ বিভিন্ন পাৰ্কিং ঠাইসমূহ নিৰীক্ষণ কৰা, শ্বপিং মলসমূহৰ পাৰ্কিং ব্যৱস্থা নিশ্চিত কৰাৰ ক্ষেত্ৰত যোৰহাট পৌৰসভাক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইফালে জিলাখনৰ বিভিন্ন বিদ্যালয়সমূহৰ প্ৰাতঃ সভাত পথ সুৰক্ষা সন্দৰ্ভত বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে এই সন্দৰ্ভত পাঠদান কৰা সম্পৰ্কেও জিলা আয়ুক্তক অৱগত কৰে।

০০০০০০০

কেন্দ্ৰীয় পৰ্যটন আৰু সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটৰ অধ্যক্ষতাত কালি শ্বিলঙত বিভিন্ন ৰাজ্যৰ পৰ্যটন মন্ত্ৰীসকলৰ এখন বিশেষ সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ লগতে পূৰ্বাঞ্চল ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰ্যটন মন্ত্ৰীসকলে অংশগ্ৰহণ কৰে।

সন্মিলনত শেখাৱাটে কয় যে, দেশৰ পৰ্যটনৰ সামগ্ৰিক বৃদ্ধি আৰু উন্নয়নৰ বাবে মন্ত্ৰালয়ে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ সৈতে ধাৰাবাহিকভাৱে বৈঠক অনুষ্ঠিত কৰি আহিছে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, এই বৈঠকৰ জৰিয়তে বিশ্ব পৰ্যটনৰ মানচিত্ৰত স্থান লাভ কৰা গুৰুত্বপূৰ্ণ পৰ্যটন স্থলীসমূহ অধিক উন্নত কৰা, বিকল্প গন্তব্য স্থানসমূহক অধিক আকৰ্ষণীয় কৰি তোলা তথা এই খণ্ডত বিপণন, সুৰক্ষা, যোগাযোগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ লগতে কয় যে, পৰ্যটন উদ্যোগটোক অধিক আগুৱাই নিয়াৰ বাবে ৰাজহুৱা-ব্যক্তিগত

অংশীদাৰিত্বৰ গুৰুত্ব শেহতীয়াকৈ বৃদ্ধি পাইছে। সেয়ে পৰ্যটন ক্ষেত্ৰখনে ব্যক্তিগত বিনিয়োগকাৰীক আদৰিবৰ বাবে সাজু হৈছে।

মন্ত্ৰীগৰাকীয়ে পৰ্যটন ক্ষেত্ৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ সন্দৰ্ভটো আলোকপাত কৰে। তেওঁ ৰাজ্যসমূহক বিভিন্ন খণ্ডত পৰ্যটন উন্নয়নৰ বাবে প্ৰস্তাৱ দাখিল কৰিবলৈ আহ্বান জনায়।

মন্ত্ৰীগৰাকীয়ে আজি দক্ষিণ-পশ্চিম খাছি পাহাৰ জিলাত ৰাজ্য আৰু জিলা পৰ্যায়ৰ পৰ্যটন বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব।

বিভিন্ন ৰাজ্যৰ পৰ্যটন মন্ত্ৰীসকলৰ সৈতে অনুষ্ঠিত এইখন হৈছে তৃতীয়খন বৈঠক। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে চণ্ডীগড় আৰু গোৱাত অনুষ্ঠিত দুখন বৈঠকত অংশগ্ৰহণ কৰিছিল।

0000000

ভাৰতৰ সুমিত আন্তিলে নতুন অভিলেখ স্থাপনেৰে পেৰিছ পেৰালিম্পিকছৰ জেভলিন থ্ৰ'ত খিতাপ অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছে। খেলুৱৈগৰাকীয়ে নিজৰ দ্বিতীয়টো প্ৰচেষ্টাত ৭০ দশমিক ৫-৯ মিটাৰ দূৰত্বলৈ জেভলিন দলিয়াই এই কৃতিত্ব অৰ্জন কৰে।

ইয়াৰ পূৰ্বে প্ৰতিযোগিতাৰ পেৰা বেডমিণ্টনৰ পুৰুষৰ ছিংগলছৰ SL-3 শিতানত ভাৰতৰ নিতেশ কুমাৰে ডেনিয়েল বেটহেলক ২১-১৪, ১৮-২১, ২৩-২১ গেমত পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে। একেদৰে পুৰুষৰ ছিংগলছৰ SL-4 শিতানত ভাৰতৰ সুহাছ  য়াথীৰাজেও ৰূপৰ পদক অৰ্জন কৰিছে। খেলুৱৈগৰাকী ফাইনেলত যোৱাবাৰৰ বিজয়ী লুকাছ মাজুৰৰ বিৰুদ্ধে ৯-২১, ১৩-২১ গেমত পৰাজিত হয়। ইপিনে মহিলাৰ ছিংগলছৰ SU-5 শিতানত ভাৰতৰ পেৰা শ্বাটলাৰ থুলাচিমাথি মুৰুগেছানে ৰূপৰ পদক অৰ্জন কৰিছে। খেলুৱৈগৰাকী ফাইনেলত চীনৰ য়াং কিউজিয়াৰ বিৰুদ্ধে পৰাজিত হয়। আন এগৰাকী ভাৰতীয় খেলুৱৈ মনিষা ৰামাদাসে মহিলাৰ ছিংগলছৰ SU-5 শিতানত ডেনমাৰ্কৰ কেথ্ৰিন ৰ'জেনগ্ৰেনক পৰাস্ত কৰি ব্ৰঞ্জৰ পদক জয় কৰিছে। মহিলাৰ ছিংগলছৰ SH-6 শিতানত ইন্দোনেছিয়াৰ ৰীনা মাৰ্লিনাক ২১-১৪, ২১-৬ গেমত পৰাস্ত কৰি ভাৰতৰ নিত্যা শ্ৰীশিবানে ব্ৰঞ্জৰ পদক দখল কৰিছে।

ইপিনে ভাৰতৰ শীতল দেৱী আৰু ৰাকেশ কুমাৰৰ যুটীটোৱে পেৰা আৰ্চাৰীৰ মিক্সড টীম কম্পাউণ্ড শাখাত ব্ৰঞ্জৰ পদক জয় কৰিছে।

চলিত পেৰালিম্পিকছৰ পঞ্চম দিনা কালি ভাৰতৰ যোগেশ কাথুনিয়াই পুৰুষৰ ডিছকাছ থ্ৰ'ৰ F-56 শিতানৰ ফাইনেলত ৰূপৰ পদক অৰ্জন কৰে। এয়া হ'ল পেৰালিম্পিকছত খেলুৱৈগৰাকীৰ একেৰাহে দ্বিতীয়টো ৰূপৰ পদক। এই পদকসমূহ জয় কৰাৰ সুবাদত ভাৰত সম্প্ৰতি ৩টা সোণ, ৫টা ৰূপ আৰু ৭টা ব্ৰঞ্জসহ মুঠ ১৫টা পদকেৰে পদক তালিকাৰ পঞ্চদশ স্থানত আছে।

প্ৰতিযোগিতাত আজি শ্বুটাৰ অৱনী লেখাৰাই দ্বিতীয়টো সোণৰ পদকৰ লক্ষ্যৰে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। অৱনীৰ লগতে মনা আগৰৱালে মহিলাৰ ৫০ মিটাৰ ৰাইফল থ্ৰী পজিছনছৰ SH-1 শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। মহিলাৰ ৰিকাৰ্ভ আৰ্চাৰীত ভাৰতৰ পূজাই পদক জয়ৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। মহিলাৰ শ্বটপুটৰ F-34 শিতানৰ ফাইনেলত ভাৰতৰ ভাগ্যশ্ৰী যাদৱে শ্ৰেষ্ঠত্ব অৰ্জনৰ প্ৰয়াস কৰিব। পুৰুষৰ হাই জাম্পৰ T-63 শিতানৰ ফাইনেলত ভাৰতৰ মৰিয়াপ্পন থাংগাভেলু, শৈলেশ কুমাৰ আৰু শাৰদ কুমাৰেও দেশৰ হৈ পদক অৰ্জনৰ প্ৰয়াস চলাব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলিত পেৰিছ পেৰালিম্পিকছৰ পুৰুষৰ জেভলিন থ্ৰ'ত সোণৰ পদক অৰ্জন কৰা সুমিত আন্তিলক অভিনন্দন জনাইছে।

সামাজিক মাধ্যমৰ এটা প'ষ্টত ৰাষ্ট্ৰপতিয়ে কয় যে, পেৰালিম্পিকছত একেৰাহে অৰ্জন কৰা দুটা সোণৰ পদক আৰু অভিলেখ সৃষ্টিকাৰী প্ৰদৰ্শনেৰে খেলুৱৈগৰাকী চেম্পিয়নসকলৰ মাজতো বিশেষ হিচাপে পৰিগণিত হৈছে। এই সাফল্যই অগণন লোক, বিশেষকৈ যুৱ চামক অনুপ্ৰাণিত কৰিব বুলি তেওঁ উল্লেখ কৰে। ইপিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তিলৰ এই প্ৰদৰ্শনক ব্যতিক্ৰমী হিচাপে অভিহিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, খেলুৱৈগৰাকীয়ে অসাধাৰণ ধাৰাবাহিকতা আৰু উৎকৃষ্টতা প্ৰদৰ্শন কৰিছে। প্ৰধানমন্ত্ৰীয়ে খেলুৱৈগৰাকীক ভৱিষ্যতৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০০

## Newspaper Review (3-8-2024 Morn.)

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহত কেইবাটাও বাতৰি বিভিন্ন শিৰোনামেৰে প্ৰকাশ হৈছে। ভাৰত মহাসাগৰীয় অঞ্চলত ভাৰত আৰু চীনৰ ৰণকৌশলৰ দিশত প্ৰতিদ্বন্দ্বিতা অব্যাহত আছে। এই সন্দৰ্ভত দৈনিক অসম কাকতে **চীনৰ লক্ষ্য ভাৰত মহাসাগৰ-বংগোপ সাগৰ** শিৰোনামেৰে প্ৰকাশ কৰিছে।

খিলঞ্জীয়াৰ প্ৰভুত্ব অক্ষুণ্ণ ৰখাৰ দাবীত ডিব্ৰুগড়ৰ ৰাজপথলৈ খিলঞ্জীয়া লোক ওলাই আহিছে। এই সন্দৰ্ভত দৈনিক জনমভূমি কাকতে **খিলঞ্জীয়াৰ অধিকাৰৰ দাবীত ডিব্ৰুগড়ত ৩২ টা জাতীয়-জনগোষ্ঠীয় সংগঠনৰ গৰ্জন** শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়াৰে পৰা কোনো অভিযুক্তৰ ঘৰত আৰক্ষীয়ে বুলড'জাৰ চলাব নোৱাৰিব বুলি দেশৰ প্ৰতিখন ৰাজ্যকে সৰ্বোচ্চ ন্যায়ালয়ে নিৰ্দেশ প্ৰদান কৰিছে। এই বাতৰি আমাৰ অসম কাকতে **বুলড'জাৰ নিষিদ্ধ কৰিলে সৰ্বোচ্চ ন্যায়ালয়ে** শিৰোনামেৰে প্ৰকাশ কৰিছে।

মণিপুৰত পুনৰ আতংকময় পৰিৱেশে বিৰাজ কৰিছে। ৰাজ্যখনত আৰক্ষীয়ে সতৰ্কতা জাৰি কৰিছে। এই সন্দৰ্ভত দৈনিক অগ্ৰদূত কাকতে **ধাৰাবাহিক গুলীবৰ্ষণত মণিপুৰত আতংক বৃদ্ধি ঃ অধিক কূটাঘাটৰ শংকা** শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

ৰাজ্যত বিলুপ্ত হ'ল ঠিকাভিত্তিক শিক্ষক। মুখ্যমন্ত্ৰীয়ে খানাপাৰাত ঠিকাভিত্তিক শিক্ষকক নিয়মীয়া পদৰ নিযুক্তি পত্ৰ বিতৰণ কৰে। **এক লাখ সম্পূৰ্ণ, ডেৰ লাখ নিযুক্তিৰ দিশে চৰকাৰ** শিৰোনামেৰে নিয়মীয়া বাৰ্তা কাকতে বাতৰি প্ৰকাশ কৰিছে। এই বাতৰিটো দ্যা ছেণ্টিনেল কাকতেও সবিস্তাৰে প্ৰকাশ কৰিছে।

**বিৰোধীৰ ইছ্যু জাতি ভিত্তিক গণনাৰ সপক্ষে আৰ এছ এছ** শিৰোনামেৰে অসমীয়া খবৰ কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

চৰকাৰৰ সকলো মন্ত্ৰীয়ে ভাৰতক উন্নত দেশ হিচাপে গঢ়ি তোলাৰ বাবে আঁচনি প্ৰস্তুত কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মন্তব্য কৰিছে। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে **Central ministries working on Vision 2047 : Sonowal** শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ১৩ গৰাকী কৃতি শিক্ষকলৈ ৰাজ্য চৰকাৰৰ সন্মান, অখিল গগৈৰ স্বাস্থ্যৰ বুজ ল'লে বিধানসভাৰ অধ্যক্ষই, বিজেপিৰ দেশজোৰা সদস্য ভৰ্তি অভিযান আৰম্ভ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**